# কবিতা

# জনতাৰ আহ্বান - জ্যোতিপ্ৰসাদ আগৰৱালা

---

## অতি চমু প্ৰশ্নৰ উত্তৰ ( মূল্যাংক ১ )

প্ৰশ্ন ১.অসমীয়া সাহিত্য - সংস্কৃতি জগতত ৰূপকোঁৱৰ’অভিধাৰে কোনগৰাকী সাহিত্যিক বিভূষিত কৰা হৈছে ?

উত্তৰঃ জ্যোতিপ্ৰসাদ আগৰৱালাক ।

প্ৰশ্ন ২.জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতা পুথিখনৰ নাম কি ?

উত্তৰঃ জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতা পুথিখনৰ নাম হ'ল— ‘লুইতৰ পাৰৰ অগ্নিসুৰ’ ।

প্ৰশ্ন ৩.জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা প্ৰথম নাটখনৰ নাম কি ?

উত্তৰঃ ‘শোণিত কুঁৱৰী ’ জ্যোতি প্ৰসাদ আগৰৱালাৰ প্ৰথম নাটক ।

প্ৰশ্ন ৪.জ্যোতিপ্ৰসাদ আগৰৱালাই জাৰ্মানীলৈ গৈ কিহৰ প্ৰশিক্ষণ লৈছিল ?
উত্তৰঃ জ্যোতিপ্ৰসাদ আগৰৱালাইজাৰ্মানীলৈ গৈ তাত কথাছবি প্ৰযোজনা আৰু পৰিচালনাৰ বিষয়ত প্ৰশিক্ষণ লৈছিল ।

প্ৰশ্ন ৫.প্ৰথম অসমীয়া কথাছবিখনৰ নাম কি ?

উত্তৰঃ প্ৰথম অসমীয়া কথাছবিখনৰ নাম 'জয়মতী' ।
প্ৰশ্ন ৬.জ্যোতিপ্ৰসাদ আগৰৱালাই 'ইন্দ্ৰমালতী' কথাছবিখন কোন চনত নিৰ্মাণকৰিছিল ?

উত্তৰঃ ১৯৩৯ চনত ।

**চমু প্ৰশ্নৰ উত্তৰ ( মূল্যাংক -২ / ৩ )**

প্ৰশ্ন ১.জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাৰ দুটা বৈশিষ্ট্য লিখা ।

উত্তৰঃ জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাৰ দুটা বৈশিষ্ট্য হল—

( ক ) জাতীয়তাবোধ , দেশৰ ঐতিহ্য আৰু বুৰঞ্জীৰ লগত একাত্মবোধ আৰু জনতাৰ প্ৰতি দায়ৱদ্ধতা তেখেতৰ কবিতাৰ এক বিশেষ বৈশিষ্ট্য ।

( খ ) তেখেতৰ কবিতাত ভাষা আৰু শব্দৰ ওজস্বিতা , যৌৱনসুলভ দীপ্ততা আদি বৈশিষ্ট্য লক্ষ্য কৰা যায় ।

প্ৰশ্ন ২.আজি সুন্দৰৰ পূজা - থাপনাত

যাচিবি কিহেৰে ঘোড়শোপচাৰ '- যোড়শপচাৰ কি বুজাই লিখা ।

উত্তৰঃ যোড়শ উপচাৰ হৈছে পূজাত লগা ষোলবিধ বস্তু । সেইবস্তুবোৰ হ'ল-গন্ধ , ধূপ , দীপ , নৈবেদ্য , বস্ত্ৰ , আভৰণ , আসন , স্বগত (আবাহন ) , পাদ্য , অৰ্ঘ্য , আচমনীয় , মধুপক , পুনৰাচমনীয় , স্নান আৰু চন্দন । কবি জ্যোতি প্ৰসাদ আগৰৱালাই ' জনতাৰ আহ্বান ' কবিতাত জনতাৰ আলোক যাত্ৰাৰ অভিযানৰ বিষয়ে ক'বলৈ গৈ ঘোড়শোপচাৰ পূজাৰ কথা কৈছে । পূজাত সোড়শোপচাৰেৰে যেনেদৰে আৰাধ্য দেৱ - দেৱীক পূজা কৰা হয় , কবিয়েও সুন্দৰৰ পূজা থাপনাত জনতাৰ আলোকসন্ধানী অভিযানক প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছে ।

প্ৰশ্ন ৩.কবিতাটোত কবিয়ে ‘ আজি পৃথিৱীৰ আকাশে আকাশে জনতাৰ আহ্বান ’ বুলি কিয় কৈছে ?

উত্তৰঃ ‘ জনতাৰ আহ্বান ’ কবিতাটিত কবিয়ে পৃথিৱীত মানৱৰ মুক্তি সাধনৰ অৰ্থে সাংস্কৃতিক আৰু গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ পক্ষে মত প্ৰকাশ কৰিছে । কবিৰ দৃষ্টিত জনতাৰ এক নতুন ৰূপ প্ৰতিভাত হৈছে । অন্ধকাৰ নাশি পোহৰ বিলাবলৈ , সমগ্ৰ পৃথিৱীৰ আকাশতে সৌন্দৰ্য বিলাবলৈ পৃথিৱীৰ জনতা আজি ওলাই আহিছে । পৃথিৱীৰ সমগ্ৰ জনতাই আজি সাম্যবাদৰ সপোন দেখিছে । সেয়ে পৃথিৱীৰ আকাশে আকাশে এই সাম্যবাদত উদ্বুদ্ধ হোৱাৰ জনতাৰ আহ্বান নিনাদিত হৈছে । মানুহৰ এই পৃথিৱীত শান্তি , ঐক্য সংহতিৰ সুৰভি বিলাই জীৱনৰ এক অভিনৱ ৰূপ পুষ্পিত কৰি তুলিবলৈ আজি মানৱৰ সংহত অভ্যুত্থানে জনতাৰ মহাপ্ৰাণ জাগ্ৰত কৰি তুলি । সমগ্ৰ পৃথিৱীৰ জনতাৰ এই আহ্বান কাৰণে ‘ আজি পৃথিৱীত আকাশে আকাশে জনতাৰ আহ্বান’বুলি কোৱা হৈছে ।

প্ৰশ্ন ৪.‘হে মোৰ আলোক পূজাৰী প্ৰাণ’ কথাষাৰৰ তাৎপৰ্য ব্যাখ্যা কৰা ।

উত্তৰঃ আলোক পূজাৰী মানে পোহৰৰ পূজাৰী , পোহৰৰ সেৱক । কবি জ্যোতিপ্ৰসাদ আগৰৱালা মনে - প্ৰাণে সংস্কৃতিৰ সাধক আছিল । সেয়ে সংস্কৃতিৰ বিকাশ সাধনৰ অৰ্থে দুৰ্দশাগ্ৰস্ত জনাৰ পাগল এপাহ পদম ফুলাব বিচৰা যেনকৈ এক আলোক সৃষ্টি কৰিবলৈকো অহৰহ প্ৰয়াস কৰিছে । জনতাৰ হৃদয়ত এই আলোকৰ সৃষ্টিৰ সম্ভৱনা একমাত্ৰ সুন্দৰৰ অৰ্থাৎ ভগৱানৰ কৃপাতহে সম্ভৱ । সেয়ে ষোড়শোপচাৰেৰে তেওঁ সুন্দৰৰ পূজাৰ থাপনাত উপাসনা কৰাৰ কথা চিন্তা কৰিছে ।

প্ৰশ্ন ৫.কথাছবি নিৰ্মাতা হিচাপে জ্যোতিপ্ৰসাদৰ এটি চমু পৰিচয় লিখা ।

উত্তৰঃ ৰূপকোৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম হয় ১৯০৩ চনৰ ১৭ জুন তাৰিখে । পিতৃৰ নাম পৰমানন্দ আগৰৱালা আৰু মাতৃৰ নাম

কিৰণময়ী আগৰৱালা । জ্যোতিপ্ৰসাদ আগৰৱালাই তেজপুৰ আৰু ডিব্ৰুগড়ত স্কুলীয়া শিক্ষা লাভ কৰাৰ পিছত কলিকতাৰ নেচনেল কলেজত পঢ়িছিল যদিও সেই কলেজ উঠি যোৱাত পিছত বিলাতৰ এডিনবৰা বিশ্ববিদ্যালয়ৰ পৰা পুনৰ মেট্ৰিক পৰীক্ষা পাছ কৰে । তেওঁ ১৯২৬ চনত বিলাতলৈ উচ্চ শিক্ষাৰ কাৰণে যায় । তেওঁ তাত এম এ পঢ়িবলৈ গৈছিল যদিও সেই শিক্ষা বাদ দি জাৰ্মানীত চলচ্চিত্ৰ নিৰ্মাণ । সম্পৰ্কীয় শিক্ষাহে লৈ ১৯৩০ চনত স্বদেশলৈ ঘূৰি আহি অসমৰ প্ৰথম কথাছবি 'জয়মতী' ( ১৯৩৫ ) কে ধৰি কেবাখনো কথাছবি নিৰ্মাণ কৰি মহাপুৰুষৰ শ্ৰীমন্ত শংকৰদেৱৰ পিছতেই অসমীয়া সংস্কৃতিৰ বৰঘৰ নিৰ্মাণ কৰে ।

## দীঘল প্ৰশ্নৰ উত্তৰ ( মুল্যাংক ৪/৫ )

প্ৰশ্ন ১.'জনতাৰ আহ্বান' কবিতাটোৰ মূল কথাখিনি আলোচনা কৰা ।

উত্তৰঃ 'জনতাৰ আহ্বান' কবিতাটো জ্যোতিপ্ৰসাদ আগৰৱালাৰ লুইতৰ পাৰৰ অগ্নিসুৰ ' নামৰ কাব্যগ্ৰন্থৰ পৰা অনা হৈছে । কবিতাটোত বিপ্লৱী কবিজনাই মানৱতাৰ ওপৰত গভীৰ আস্থা আৰু সৌন্দৰ্য ৰূপায়ণক বিশেষ গুৰুত্ব আৰোপ কৰিছে । আলোকসন্ধানী কবিজনাই জনতাৰ আলোকসন্ধানী ৰূপ কবিতাটো মূৰ্ত কৰি তুলিছে ।

সুন্দৰৰ পূজাৰী কবিজনাই কবিতাৰ প্ৰাৰম্ভতে কৈছে যে সুন্দৰৰ পূজাৰ থাপনাত আজি কিহেৰে পূজাৰ ষোড়শোপচাৰ গোটাবনাইবা কি ৰাগ , কি সুৰেৰে পুৱা - সন্ধ্যাৰ গান গাব — এই প্ৰশ্ন উত্থাপন কৰি কবিয়ে তাৰ উত্তৰ দিছে । কবিয়ে অনুভৱ কৰিছে বিশ্বৰ আকাশে - বতাহে আজি জনতাৰ আহ্বান ধ্বনিত হৈছে । কবিয়ে লক্ষ্য কৰিছে আজি সমগ্ৰ বিশ্বতে জনতাৰ পংকজ ৰূপ পদুমৰ দৰে বিকশিত হৈছে । অৰ্থাৎ সাম্যবাদৰ সুৰে আজি পৃথিৱীৰ আকাশে বতাহে খলকনি তুলিছে । পৃথিৱীত শান্তি সুৰভি বিলাবলৈ , বিশ্বৰ সৌন্দৰ্য সৃষ্টিত অৰিহণা যোগাবৰ বাবে আজি জনতা ঐক্যবদ্ধ হোৱা প্ৰয়োজন । মানৱ জীৱনৰ এনে সংহত অভ্যুত্থানে জনতাৰ মহাপ্ৰাণ জগাই তুলিবলৈ সক্ষম হ'ব ।

কবিয়ে বিশ্বাস কৰিছে জনতাৰ আলোক বিজয়ী এনে অভিযানে নবজীৱনৰ পাতনি তৰি দিব । কবিয়ে বেদত ধ্বনিত হোৱা আলোক মন্ত্ৰেৰে অনুপ্ৰেৰণা লাভ কৰিবৰ বাবে আহ্বান জনাইছে । কবিয়ে উদাত্ত কণ্ঠে জনতাতন্ত্ৰৰ , আলোক মন্ত্ৰপুত মহামানৱ তন্ত্ৰৰ জয়গান গাইছে ।

প্ৰশ্ন ২.'জনতাৰ আহ্বান' কবিতাটোত সাধাৰণ মানুহৰ প্ৰতি কবিৰ কেনে মনোভাব প্ৰকাশ পাইছে বুজাই লিখা ।

উত্তৰঃ 'জনতাৱ আহ্বান' কবিতাটোত সাধাৰণ মানুহ অৰ্থাৎ জনতাৰ প্ৰতি কবিৰ গভীৰ আস্থাৰ ভাব প্ৰকাশ পাইছে । সেয়ে কবিতাটোত কবিয়ে পৃথিৱীৰ এই সাধাৰণ মানুহৰ মাজত বিয়পি পৰা এক নতুন চেতনা অভ্যুদ্বয়ৰ কথা বৰ্ণনা কৰিছে । কবিয়ে দেখিছেৰূপান্তৰৰ পৃথিৱীত আকাশে বতাহে জনতাৰ আহ্বান বিয়পি পৰিছে । সুন্দৰৰ পূজাৰ যি সাধনা আৰম্ভ হৈছে তাত সাধাৰণ মানুহে অৰ্থাৎ জনতাই যোড়শোপচাৰেৰে সুন্দৰৰ আৰাধনাত মগ্ন হৈছে । বোকাত জন্ম লাভ কৰা জনতা আজি পদুম ফুলৰ দৰে ফুলি সৌৰভ বিলাইছে, পোহৰ বিলাইছে । অন্ধকাৰ নাশি পোহৰত পাহি মেলি, আকাশত সৌন্দৰ্য সিঁচিবলৈ আজি জনতা ওলাই আহিছে । মানুহৰ এই পৃথিৱীখনত শান্তিৰ সুৰভি বিলাই জীৱনৰ এক অভিনৱ ৰূপ পুষ্পিত কৰি তুলিবলৈ আজি মানৱৰ সংহত অভ্যুত্থানে জনতাৰ মহাপ্ৰাণ জাগ্ৰত কৰি তুলিছে । কবিৰ মনোভাব আজি জনতাৰ এই আলোকবিজয়ী অপূৰ্ব অভিযানে পৃথিৱীৰ আকাশ মুখৰিত কৰি তুলিব । নৱ জীৱনৰ মহা সংঘাতে বৰ্তমানক কঁপাই তুলিব । জনতাৰ এই উদ্যোগ দেখি কবিৰ মনোভাব হৈছে বেদত ধ্বনিত হোৱা আলোকৰ আগমনী মন্ত্ৰ আজি সাৰ্থক হ'বলৈ আগ বাঢ়িছে ।

প্ৰশ্ন ৩.কবিয়ে কেনেকুৱা জনতন্ত্ৰ কামনা কৰিছে কবিতাটোৰ আধাৰত বিশ্লেষণ কৰা ।

উত্তৰঃ কবি জ্যোতিপ্ৰসাদ আগৰৱালাই 'জনতাৰ আহ্বান' কবিতাত জনতাক 'প্ৰবুদ্ধ' বুলি অভিহিত কৰি কৈছে যে জনতা আজি জ্ঞানৰ আলোকত উদ্ভাসিত হৈ উঠিছে । আজিৰ জনতা পূৰ্বৰ দৰে অজ্ঞান -

আন্ধাৰত নিমজ্জিত নহয় । সাংস্কৃতিক আধাৰত প্ৰতিষ্ঠিত এক কেন্দ্ৰীভূত শক্তিৰ ওপৰত গভীৰ আস্থাৱান এই জনতা আজি আলোকসন্ধানী হৈ পৰিছে । জ্ঞান আৰু মানৱীয় মূল্যবোধত এওঁলোকে গুৰুত্ব দিছে । সমাজৰ সকলো অসুন্দৰ আঁতৰাই সত্য আৰু সুন্দৰৰ ভিত্তিত প্ৰবুদ্ধ জনতাই সমাজ স্থাপন কৰিব খোজে । জ্ঞান বুদ্ধি - চেতনা আৰু নিস্বাৰ্থ সেৱাৰ মনোভাবেৰে এওঁলোক উজ্জীৱিত । জাতিৰ জীৱন আগুৱাই নিবলৈ এই জনতাই সাংস্কৃতিক প্ৰচেষ্টা কাৰ্যকৰী কৰিবলৈ বদ্ধ পৰিকৰ । তাৰ বাবে যি শাসনতন্ত্ৰ প্ৰয়োজন হ'ব সেয়া হ'ব জনতন্ত্ৰ । কবিয়ে তেনে জনতন্ত্ৰৰে জয় জয়কাৰ ঘোষণা কৰিছে ।

প্ৰশ্ন ৪.‘জনতাৰ আহ্বান’ কবিতাটোত জনতাৰ মহাপ্ৰাণ কেনেদৰে জাগৰিত হয় বুলি কবিয়ে কৈছে আলোচনা কৰা ।

উত্তৰঃ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই ‘জনতাৰ আহ্বান’ নামৰ কবিতাত জনতাৰ আলোকসন্ধানী ঐক্যবদ্ধ যাত্ৰাৰ কথা প্ৰকাশ কৰিছে । মানুহৰ শ্ৰেষ্ঠতম গুণ মানৱতাৰ বিকাশ সাধন হোৱাৰ পিছত কবিয়ে পৃথিৱীত মানৱীয় মূল্যবোধৰ উত্তৰণ প্ৰত্যক্ষ কৰিছে । বোকাত গজি বিকশিত হোৱা পদুম ফুলৰ দৰে একেবাৰে নেহাত অৱস্থাত জন্মলাভ কৰা এইসকল মানুহেও সংস্কৃতিৰ বিকাশ সাধনত নিজৰ ভাগ ল'বলৈ , আকাশে বতাহে সৌন্দৰ্যৰ সৌৰভ বিলাবলৈ , পৃথিৱী শান্তিময় কৰিবলৈ এক আলোকসন্ধানী যাত্ৰা আৰম্ভ কৰিছে । সেয়ে কবিয়ে পৃথিৱীৰ আকাশে বতাহে জনতাৰ আহ্বান হোৱা শুনিবলৈ পাইছে । জীৱনৰ প্ৰতিটো ক্ষণে ক্ষণে , মহাপ্ৰবাহে প্ৰবাহে এনেদৰে জনতাৰ আহ্বান শুনি কবি আপ্লুত হৈ পৰিছে ।

প্ৰশ্ন ৫.প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা :

(১) আজি জনতাৰ পংকজ ৰূপ

জাগে পদুমৰ দৰে

বোকাত জনমা মানুহে আজি

আলোকলৈ' উঠি আহে

বেলিমুৱা হৈ হাঁহে ।

উত্তৰঃ উক্ত কবিতাফাঁকি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ দ্বাৰা ৰচিত ‘জনতাৰ আহ্বান’ নামৰ কবিতাটোৰ পৰা তুলি দিয়া হৈছে ।

কবিতাফাঁকিৰ মাধ্যমেৰে কবিয়ে বোকাত জন্মা পদুমে আদৰ পোৱাৰ নিচিনাকৈ আজি সাধাৰণ জনতাই বা অতি দুখীয়া-দৰিদ্ৰ মানুহেও সু-কৰ্মৰাজিৰ আৰু নতুন দিগন্তৰ কাৰণে আদৰ পাবলৈ সক্ষম হোৱাৰ প্ৰসংগ কথা ব্যক্ত কৰিছে ।

কবিৰ মতে, বোকাত জন্ম লভা সাধাৰণ জনতাই আজি পদুমৰ দৰে ফুলি পোহৰৰ লগতে সৌৰভ বিলাইছে । অন্ধকাৰ নাশি পোহৰত পাহি মেলি আকাশত সৌন্দৰ্য সিঁচিবলৈ আজি জনতা ব্যাকুল হৈ পৰিছে । মানুহৰ এই পৃথিৱীখনত শান্তিৰ সুৰভি বিলাই জীৱনৰ এক অভিনৱ ৰূপ পুষ্পিত কৰি তুলিবলৈ আজি মানৱৰ সংহত অভ্যুত্থানে জনতাৰ মহাপ্ৰাণ জাগ্ৰত কৰি তুলিছে । কবিৰ মনোভাৱ আজি জনতাৰ এই আলোকবিজয়ী অপূৰ্ব অভিযানে পৃথিৱীৰ আকাশ বতাহ মুখৰিত কৰি তুলিব ।